**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::::

১। ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সদনৰ কাম-কাজ ব্যাহত হয়।

২। ৰাজ্যসভাত মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ দ্বিতীয় সংশোধনী বিধেয়ক গৃহীত হৈছে।

৩। ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰ পাছত ৫০ কোটি ৮৫ লাখতকৈ অধিক ভোটদাতাৰ মাজত গণনা প্ৰপত্ৰ বিতৰণ কৰা হৈছে।

৪। শ্ৰীলংকাত দিট্‌ৱাহ ঘূৰ্ণীবতাহৰ ফলত শোচনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। ***আৰু***

৫। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰা নীতি সমিতিৰ ৩ দিনীয়া বৈঠক কাইলৈ আৰম্ভ হ'ব।

০০০০

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়। দ্বিতীয়বাৰৰ বাবে কাম-কাজ স্থগিত ৰখাৰ পাছত দিনৰ ২ বজাত নিম্ন সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে পুনৰ সদনৰ মজিয়ালৈ উঠি আহি তেওঁলোকৰ দাবীৰ সমৰ্থনত ধৰ্ণা দিবলৈ ধৰে। সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা সদস্যগৰাকীয়ে কাম-কাজ চলাই নিয়াৰ চেষ্টা চলাই যদিও বিফলে যায়। তেওঁ প্ৰতিবাদৰত সদস্যসকলক কাম-কাজ চলাই নিয়াত সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। সদস্যগৰাকীয়ে বাৰে বাৰে অনুৰোধ জনোৰ সত্বেও বিৰোধী পক্ষৰ সদস্যসকলে তেওঁলোকৰ প্ৰতিবাদ অব্যাহত ৰাখে। ইয়াৰ পাছত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে আৰু টি এম চিকে ধৰি বিৰোধী পক্ষৰ সদস্যসকল সদনৰ মজিয়ালৈ দাবী জনায় আৰু তেওঁলোকৰ দাবীৰ সপক্ষে হেচা প্ৰয়োগ কৰে। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে সদনত যিকোনো বিষয়ক লৈ আলোচনা কৰাৰ বাবে চৰকাৰ প্ৰস্তুত বুলি উল্লেখ কৰি লোকসভাৰ কাম-কাজ বিঘ্নিত নকৰিবলৈ বিৰোধী পক্ষৰ সাংসদসকলক অনুৰোধ জনায়। বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰখাত নিম্ন সদন দুই বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে শ্লোগান অব্যাহত ৰখাত সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা সদস্যগৰাকীয়ে সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ইয়াৰ আগেয়ে দিনৰ এঘাৰ বজাত লোকসভা মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই জৰ্জিয়া সংসদৰ অধ্যক্ষ শ্বল্ৰ পাপুৱাশ্বিলিৰ নেতৃত্বত অহা দেশখনৰ সংসদীয় প্ৰতিনিধি দলক আদৰণি জনায়। শ্ৰীবিৰলাই কয় যে সংসদীয়

প্ৰতিনিধি দলটোৰ ভাৰত ভ্ৰমণ উভয় দেশৰ মাজৰ ঘণিষ্ঠ সম্পৰ্কৰ প্ৰতীক। এই ভ্ৰমণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা আৰু সম্পৰ্ক অধিক সুদৃঢ় কৰিব।

একেদৰে ৰাজ্যসভাতো বিৰোধী পক্ষৰ সাংসদসকলে একেটা বিষয়ক লৈ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰাত সদন বিয়লি দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়। দিনৰ ১১ বজাত ৰাজ্যসভাৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়ত সভাপতি চি পি ৰাধাকৃষ্ণনে জৰ্জিয়াৰ সংসদীয় প্ৰতিনিধি দলটোক ভাৰতলৈ আদৰণি জনায়। তেওঁলোকৰ এই ভ্ৰমণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক শক্তিশালী কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইয়াৰ পাছত সদনৰ শূন্য কালত বিৰোধী পক্ষৰ সাংসদসকলে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীকে ধৰি বিভিন্ন বিষয়ক লৈ হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে।

সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে আলোচনাৰ জৰিয়তে সহমতত উপনীত হৈ সংসদৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাত সহায় কৰিবলৈ বিৰোধী পক্ষৰ সাংসদসকলক অনুৰোধ জনায়। ইয়াৰ মাজতে বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত উচ্চ সদন দুই বজালৈ স্থগিত ৰখাৰ বিষয়ে ঘোষণা কৰা হয়।

দিনৰ দুই বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে নিৰ্বাচনী সংশোধনী বিষয়ক লৈ আলোচনা কৰিবলৈ চৰকাৰ সাজু। সদনত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গে কয় যে সদনৰ কাৰ্যক্ৰমণিকা পৰিচালনাৰ ২৬৭ নিয়মৰ অধীনত অগ্ৰাধিকাৰ ভিত্তিত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ বিষয় লৈ আলোচনা কৰিব পৰা যায়। একেধৰণৰ মত প্ৰকাশ কৰি ডি এম কেৰ তিৰুচি শিৱাই কয় যে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ বিষয় সন্দৰ্ভত আলোচনা হোৱা উচিত কিয়নো বিষয়টো অতিকে গুৰুত্বপূৰ্ণ। পাছত সদনত মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ দ্বিতীয় সংশোধনী বিধেয়কক লৈ আলোচনা হয় আৰু বিধেয়কখন গ্ৰহণ কৰি ঘুৰাই পঠায়। এই বিধেয়কখনৰ জৰিয়তে ২০১৭ চনত মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ আইনৰ সংশোধন কৰিব বিচৰা হৈছে। এই বিধেয়কখনে যোৱা অক্টোবৰত জাৰি কৰা মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ সংশোধনী দ্বিতীয় বিধেয়কখনৰ স্থান লব। বিধেয়কখন ইতিমধ্যে লোকসভাত গৃহীত হৈছে। বিধেয়কখন গ্ৰহণ কৰাৰ পাছত সদস্যসকলে বিশেষ উল্লেখ সন্দৰ্ভত আলোচনা কৰিবলৈ লয়। ইয়াৰ অধীনত সদস্যসকলে তাৎক্ষণিক গুৰুত্বৰ বিভিন্ন বিষয়ে উত্থাপন কৰে। বিশেষ উল্লেখ সম্পৰ্কীয় কাম-কাজ শেষ হোৱাৰ পাছতে সভাপতিয়ে সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰাখে।

০০০০

বিশেষ পুংখানুপুংখ সংশোধনী চমুকৈ - এছ আই আৰৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰ পাছত ৫০ কোটি ৮৫ লাখতকৈ অধিক ভোটদাতাক গণনা প্ৰপত্ৰ বিতৰণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। এয়া দ্বিতীয় পৰ্যায়ত সামৰি ল'বলগীয়া ৫৫ কোটি ভোটদাতাৰ ৯৯ দশমিক ৭৮ শতাংশ। আয়োগে জনোৱা মতে এতিয়ালৈ প্ৰায় ৪০ কোটি প্ৰপত্ৰৰ ডিজিটেল ৰূপ দিয়া হৈছে। উল্লেখযোগ্য যে দেশৰ নখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এছ আই আৰৰ দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে। এই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল কেইটা হ'ল- চত্তিশগড়, গোৱা, গুজৰাট, কেৰালা, মধ্য প্ৰদেশ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, পুডুচেৰী, লক্ষদ্বীপ আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জ। অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পোৱাৰ পাছতেই ভোটাৰ তালিকা পুংখানুপুংখ সংশোধনী অন্ত পৰিব।

০০০০

ঘূৰ্ণীবতাহ দিট্‌ৱাহৰ ধ্বংসলীলাৰ পাছত শ্ৰীলংকাত শোচনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। দেশখনৰ দুৰ্যোগ প্ৰশমন কেন্দ্ৰই জনোৱা মতে, ঘূৰ্ণীবতাহৰ ফলত দেশখনত মৃত্যু হোৱাৰ লোকৰ সংখ্যা ৪১০ গৰাকীলৈ বৃদ্ধি পোৱাৰ লগতে ৩৩৬ জন সন্ধানহীন হৈ আছে। ঘূৰ্ণীবতাহজাকৰ ফলত ২৫ খন জিলাৰ ১৪ লাখতকৈ অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। কেন্দিত সৰ্বাধিক ৮৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে বাদুল্লাত ৮৩ জন, নুৱাৰা এলিয়াত ৭৫ জন, কুৰুনেগালাত ৫২ জন আৰু পুত্তালামত ২৭ জন লোকৰ প্ৰাণহানি হৈছে। এই সংকটৰ সময়ত ভাৰতে অপাৰেছন সাগৰ বন্ধুৰ অধীনত দেশখনলৈ আগবঢ়োৱা মানৱীয় সহায় সহযোগিতা অভিযান অধিক ক্ষীপ্ৰ কৰি তুলিছে। বায়ু সেনাৰ হেলিকপ্তাৰে মন্দাৰাম নুৱাৰালৈ ২০০০ কিলোগ্ৰাম সাহায্য সামগ্ৰীৰ যোগান ধৰাৰ লগতে ১৭ গৰাকী লোকক উদ্ধাৰ কৰিছে। বায়ুসেনাৰ আন এখন হেলিকপ্তাৰে কেইবাগৰাকী বিদেশী নাগৰিককে ধৰি মুঠ ২৪ গৰাকী যাত্ৰীক লৈ কলম্বোত উপস্থিত হৈছে। ভাৰতৰ উচ্চায়ুক্ত সন্তোষ ঝাই কেলানি নৈৰ সমীপৰ চেদাৱাট্টেৰ বান ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে এন ডি আৰ এফৰ লোকসকলকো সাক্ষাৎ কৰে।

০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰা নীতি সমিতিৰ ৩ দিনীয়া বৈঠক কাইলৈ আৰম্ভ হ'ব। বৈঠকত ঘাই ঘাই সূদৰ হাৰ সম্পৰ্কে সিদ্ধান্ত লোৱা হব। ৰিজাৰ্ভ বেংকৰ গৰৰ্ণৰ সঞ্জয় মালহোত্ৰাই শুকুৰবাৰে বেংকৰ দ্বিমাষিক মুদ্ৰানীতি পুনৰীক্ষণ সন্দৰ্ভত ঘোষণা কৰিব। ৰিজাৰ্ভ বেংকে চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত ঘাই ঘাই সূদৰ হাৰ হ্ৰাস কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল আৰু তিনিবাৰ ৰেপোৰেট এশ আধাৰ পইঁণ্ট হ্ৰাস কৰি চাৰে পাচ শতাংশ কৰিছিল। তাৰ পাছত ৰেপোৰেটৰ হাৰৰ ক্ষেত্ৰত কোনো পৰিৱৰ্তন কৰা হোৱা নাই।

০০০০

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় ঘাইপথত দুৰসংযোগ আধাৰিত সুৰক্ষা সতৰ্কতা প্ৰণালী স্থাপন কৰাৰ বাবে ৰিলায়েন্স জিঅ'ৰ সৈতে এখন চুক্তিত স্বাক্ষৰ কৰি পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ৰাষ্ট্ৰীয় ঘাইপথেৰে অহা যোৱা কৰা সকলক সময়মতে তথ্য যোগান ধৰি পথ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাই এই উদ্যমৰ মূল উদ্দেশ্য। ইয়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথ ব্যৱহাৰ কৰাসকলে দুৰ্ঘটনাৰ আশংকাৰ পূৰ্বেই বাহনৰ গতি আৰু বাহন চালন আচৰণ ঠিক কৰিব পাৰিব। ইয়াৰ অধীনত যাত্ৰীসকলে এছ এম এছ, ৱাটছএপ আৰু উচ্চ অগ্ৰাধিকাৰ কলৰ জৰিয়তে মোবাইল ফোনযোগে আগতীয়া সতৰ্কতা লাভ কৰিব। ইয়াৰ পৰ্যায়ক্ৰমে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ ডিজিটেল মঞ্চসমূহক একীকৃত কৰা হ'ব।

০০০০

আধাৰ কৰ্তৃপক্ষই যোৱা নৱেম্বৰ মাহত ৩১ কোটি আধাৰ আধাৰিত লেনদেন হৈছে বুলি উল্লেখ কৰিছে। যোৱা বছৰৰ তুলনাত এই লেনদেন ৮ দশমিক ৪-৭ শতাংশ বৃদ্ধি হৈছে। ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে জনোৱা মতে এই লেনদেন বৃদ্ধিয়ে আধাৰৰ ব্যৱহাৰ বৃদ্ধি হোৱাৰ লগতে দেশৰ ডিজিটেল অৰ্থনীতিৰ বিকাশকে সূচাইছে।

০০০০

জ্যেষ্ঠ বিজেপি নেতা ড° প্ৰেম কুমাৰক অষ্টাদশ বিহাৰ বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হৈছে। বিহাৰ বিধানসভাৰ অধিৱেশনৰ আজিৰ দ্বিতীয় দিনটোত প্ৰ'টেম অধ্যক্ষ নৰেন্দ্ৰ নাৰায়ণ য়াদৱে অধ্যক্ষৰ পদত তেওঁ সৰ্বসন্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰে। ইয়াৰ পূৰ্বে সদন আৰম্ভ হোৱাৰ আগতে ড° কুমাৰে অধ্যক্ষ পদৰ

বাবে মনোনয়নপত্ৰ দাখিল কৰিছিল। এই পদৰ বাবে বিৰোধী পক্ষৰ কোনো প্ৰাৰ্থীয়ে মনোনয়ন দাখিল নকৰাৰ পৰিপ্ৰেক্ষিতত তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। উল্লেখযোগ্য যে, ড০ প্ৰেম কুমাৰ বিহাৰৰ গয়া নগৰ বিধানসভা সমষ্টিৰ পৰা এইবাৰকে ধৰি নৱমবাৰৰ বাবে নিৰ্বাচিত হৈছে। ইয়াৰ পূৰ্বে ৰাজ্যখনৰ একাধিক চৰকাৰত তেওঁ ভিন ভিন বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ